ATHIABARI VIDYAMADIR H. S. SCHOOL

Sri krishna Sarania
Class: 2nd year
Roll NO: 168

সাহিত্য সংগ্ৰহ

অসম বুৰঞ্জীৰ পাত লুটিয়াই চালেই দেখা যায় যে অসমৰাজেয় ব্যক্তিত্ব, সাহস আৰু সংগ্ৰামৰ এক প্ৰতীক তথা সত্বা হ'ল লাচিত বৰফুকন। লাচিত বৰফুকনৰ দৃঢ় নিঃস্বাৰ্থ আৰু দূৰদৰ্শী নেতৃত্বই যোৱৰাই থাকে অসমীয়া জাতিৰ

লাচিত বৰফুকন :-> প্ৰবল পৰাক্ৰমৰ কথা। লাচিত বৰফুকনক বাদ দি অসমীয়া জাতিটোৰ সাহস আৰু বীৰত্বৰ কথা কল্পনাই কৰিব নোৱাৰি। আজিও প্ৰতিজন অসমীয়াৰ মাজত লাচিত, সাহস, নেতৃত্বৰ দূৰদৰ্শিতাই শিহৰণ তোলে। এক কথাত অসমীয়া জাতিৰ আবেগ, অসমীয়াৰ স্বাভিমান হ'ল লাচিত বৰফুকন।

লাচিত বৰফুকনৰ জন্ম ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে লাচিত বৰফুকনৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম মোমাই তামুলী। তেওঁৰ মাতৃৰ নাম নাগেশ্বৰী আইদেউ।

লাচিত বৰফুকনৰ জন্ম কাহিনী:-> লাচিত বৰফুকনৰ জন্ম আহোম ৰাজধানী গড়গাঁৱৰ ওচৰে-পাজৰে হৈছিল বুলি অনুমান কৰা হয়

শিশু অৱস্থাৰ পৰাই সততা, কৰ্তব্যনিষ্ঠা, স্পষ্টবাদিতা আদি গুণৰ অধিকাৰী লাচিত বৰফুকনে নিজৰ ঘৰতে আৰম্ভ কৰিছিল প্ৰাথমিক শিক্ষা। ৰাজপৰিয়ালত জন্ম গ্ৰহণ কৰাৰ সূত্ৰেই সামৰিক আৰু অসামৰিক দুয়োবিধ শিক্ষাই আয়ত্ত কৰিছিল লাচিত

লাচিত বৰফুকনৰ প্ৰাথমিক শিক্ষা:-> বৰফুকনে। লাচিত বৰফুকনক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিবলৈ তেওঁৰ পিতৃয়ে ঘৰুৱা শিক্ষক নিয়োগ কৰি হিন্দু ধৰ্মনীতি, অৰ্থশাস্ত্ৰ আদিৰে বিষয়ত শিক্ষা প্ৰদান কৰিছিল। তেওঁৰ পিতৃ মোমাই তামুলী বৰবৰুৱা আহোম ৰাজ্যৰ বৰপাত্ৰ পদত অধিষ্ঠিত হোৱাৰ বাবেই সেই সময়ত আলোচিত হোৱা বিভিন্ন আলোচনা সমূহৰ পৰা লাচিত বৰফুকনে ৰাজনৈতিক, কূটনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিষয় সন্দৰ্ভত জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

পিতৃ মোমাই তামুলী বৰবৰুৱা আহোম ৰাজ্যৰ প্ৰথমজন বৰবৰুৱা তথা পাইক প্ৰথাৰ প্ৰৱৰ্তক হিচাপে লাচিত বৰফুকনে আহোম ৰাজ্যসভাত গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হোৱা নাছিল। ইয়াৰ পৰিবৰ্তে নিজৰ অধ্যৱসায়, সাহস তথা কষ্টৰ ফলতহে আহোম ৰাজ্যৰ বৰফুকন তথা

**লাচিত বৰফুকনৰ কৰ্মজীৱন :→** প্ৰধান সেনাপতিৰ পদত অধিষ্ঠিত হৈছিল লাচিত বৰফুকন। গুৰুত্বপূৰ্ণ কথা যে যোন প্ৰথমেই আহোম ৰাজ্যৰ সেনাপতিৰ পদত অধিষ্ঠিত হোৱাৰ বিপৰীতে লাচিত বৰফুকনে সেইসময়ৰ ৰাজমন্ত্ৰী ডাঙৰীয়াৰ 'হাচতিঁৰা তামুলী'ৰ পদত নিযুক্ত হৈছিল। ব্যক্তিগত সহায়কৰ পৰ্যায়ৰ এই পদটোত অধিষ্ঠিত হৈ প্ৰথমবাৰৰ বাবে আহোম ৰাজ্যৰ ৰাজনীতিত প্ৰৱেশ কৰিছিল লাচিত বৰফুকন।

নিজৰ বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰি শৰাইঘাট যুদ্ধত জয়লাভ কৰা লাচিত বৰফুকনৰ মৃত্যু হয় শৰাইঘাট যুদ্ধৰ কিছুদিন পিচত। ১৬৭২ খ্ৰীষ্টাব্দত মৃত্যুক সাৱটি লোৱা বীৰজনক যোৰহাটৰ হোলোঙাপাৰত মৈদাম দিয়া হয়। গুৰুত্বপূৰ্ণ কথা যে বুদ্ধিমত্তা, সাহস পৰাক্ৰমৰ জৰিয়তে শৰাইঘাট

**লাচিত বৰফুকন মৃত্যু :→** যুদ্ধত জয় লাভ কৰা আহোম সেনাপতি লাচিত বৰফুকনৰ জন্ম দিনটো প্ৰতি বছৰে উদযাপন কৰা হয় লাচিত দিৱস হিচাপে। লাচিত বৰফুকনে হ'ল অসম তথা অসমীয়াৰ বাবে এটা চিৰসেউজী সত্তা। অসমীয়া জাতি জীয়াই থকালৈ লাচিত বৰফুকনৰ জাতীয়তাবোধ, দেশপ্ৰেম সদায় অসমীয়াৰ তেজত প্ৰবাহিত হৈ ৰ'ব।

—x—